ভাগত ভাগ কৰিব পাৰি, বহিঃনিয়ন্ত্ৰণ (External Control) আৰু আভ্যন্তৰীণ নিয়ন্ত্ৰণ (Internal Control)।

## সংসদীয় নিয়ন্ত্ৰণ (Parliamentary Control) ঃ

সংসদীয় নিয়ন্ত্ৰণ প্ৰকৃততে এক ৰাজনৈতিক নিয়ন্ত্ৰণ। সংসদ বা বিধানমণ্ডলে প্ৰশাসনৰ মূল উদ্দেশ্যসমূহ নিৰ্ধাৰণ কৰি দিয়ে। প্ৰশাসনীয় কাৰ্যাৱলী যাতে ৰাষ্ট্ৰৰ উদ্দেশ্যমুখী হয় তাৰ প্ৰতি বিধিগত ব্যৱস্থা লোৱাই এই নিয়ন্ত্ৰণৰ প্ৰাথমিক উদ্দেশ্য।

গণতান্ত্ৰিক প্ৰশাসন ব্যৱস্থাত, বিশেষকৈ সংসদীয় গণতন্ত্ৰত বিধানমণ্ডলেই হৈছে ৰাষ্ট্ৰৰ সকলো কাৰ্যৰ মূল উৎস। চৰকাৰী নীতি, কৰ্ম আঁচনি, প্ৰশাসনিক সংগঠনৰ প্ৰকৃতি, কৰ্ম-পদ্ধতি, নিধি আদিৰ ক্ষেত্ৰত বিধানমণ্ডলেই সিদ্ধান্ত গ্ৰহণ কৰে। আঁচনি কাৰ্যকৰী কৰাৰ দায়িত্ব হৈছে কাৰ্যপালিকা বা প্ৰশাসনৰ। কিন্তু প্ৰশাসকসকল তেওঁলোকৰ প্ৰতিটো কাৰ্যৰ বাবে সংসদৰ ওচৰত দায়বদ্ধ হয়। অৱশ্যে সংসদীয় গণতন্ত্ৰত লোক প্ৰশাসকসকল সংসদৰ ওচৰত প্ৰত্যক্ষভাৱে দায়বদ্ধ নহয়। সংশ্লিষ্ট মন্ত্ৰীৰ জৰিয়তেহে তেওঁলোক বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হৈ থাকে। তাৰোপৰি জনসাধাৰণে তেওঁলোকৰ প্ৰতিনিধিৰ সহায়ত পৰোক্ষভাৱে প্ৰশাসন নিয়ন্ত্ৰণ কৰিব পাৰে।

সকলো প্ৰশাসনীয় কাৰ্য সাংবিধানিক নীতি আৰু বিধানমণ্ডলে প্ৰস্তুত কৰা আইনৰ সীমাৰ ভিতৰত সমাধান হয়। প্ৰয়োজনসাপেক্ষে বিভিন্ন সময়ত নিৰ্দেশ জাৰি কৰা, পৰ্যৱেক্ষণৰ ব্যৱস্থা কৰা, প্ৰশাসনীয় ক্ষমতাৰ সাল-সলনি কৰা আদি ক্ষমতা সংসদক দিয়া হৈছে।

সংসদে প্ৰচলিত আইন সংশোধন ও নতুন আইন প্ৰণয়ন কৰি প্ৰশাসনৰ প্ৰকৃতি আৰু গতিৰ সাল-সলনি ঘটাব পাৰে।

তলত উল্লিখিত উপায়সমূহৰ দ্বাৰা সংসদে লোক প্ৰশাসন নিয়ন্ত্ৰণ কৰে।

**(১) ৰাষ্ট্ৰপতিৰ ভাষণ (President's Speech) ঃ** ৰাষ্ট্ৰপতি সংসদৰ এটা অঙ্গ বুলি ক'ব পাৰি। তেওঁ সন্মতি প্ৰদান কৰিলেহে সংসদৰ দ্বাৰা গৃহীত বিলসমূহ আইনত পৰিণত হয়। প্ৰত্যেক বছৰৰ সংসদৰ অধিৱেশন ৰাষ্ট্ৰপতিৰ ভাষণৰ দ্বাৰা আৰম্ভ কৰা হয়। চৰকাৰৰ বিভিন্ন কাৰ্য, নীতি বা আঁচনি ৰাষ্ট্ৰপতিৰ ভাষণত প্ৰতিফলিত হয়। তেওঁৰ ভাষণত প্ৰতিফলিত হোৱা চৰকাৰী আঁচনি আৰু নীতিৰ ওপৰত সংসদৰ মজিয়াত আলোচনা হয়। এনে আলোচনাৰ সহায়ত সাংসদসকলে প্ৰশাসনৰ দোষ-ত্ৰুটিসমূহ আঙুলিয়াই দিয়ে আৰু এইসমূহৰ নিৰ্মূলৰ বাবেও গ্ৰহণ কৰিব লগীয়া ব্যৱস্থাৰ বাবে পৰামৰ্শ দাঙি ধৰে। ৰাষ্ট্ৰপতিৰ ভাষণে সাংসদসকলক প্ৰশাসন নিয়ন্ত্ৰণৰ এটা সুবিধা দিয়ে।

**(২) বাজেট আলোচনা (Budget Discussion) ঃ** লোক প্ৰশাসন নিয়ন্ত্ৰণ কৰাৰ অন্যতম সংসদীয় শক্তিশালী আহিলা হৈছে বাজেট আলোচনা। সংসদৰ অনুমোদন নাপালে চৰকাৰে ধন খৰচ কৰিব নোৱাৰে আৰু সেই বাবেই প্ৰতি বিত্তীয় বছৰৰ বাবেই

Scanned by CamScanner

লোক সভাত বাজেট উত্থাপিত হোৱাৰ পিছত তাৰ ওপৰত আলোচনা হয়। বাজেট আলোচনা তিনিটা পৰ্যায়ত হয়, যেনে—

**(ক) সাধাৰণ আলোচনা ঃ** বাজেটখন উত্থাপিত হোৱাৰ পিছত সাধাৰণ আলোচনা আৰম্ভ হয়। বাজেটৰ সাধাৰণ নীতিৰ ওপৰত দৃষ্টি ৰাখি সাংসদসকলে বাজেটৰ ওপৰত আলোচনা কৰে।

**(খ) দাবী মঞ্জুৰী ঃ** দাবী মঞ্জুৰীৰ আলোচনাৰ কালত সদস্যসকলে প্ৰশাসনীয় বিভাগসমূহত দেখা দিয়া শোষণ, দুৰ্নীতি আদিৰ বিষয়ে আলোচনা দাঙি ধৰি সংশ্লিষ্ট মন্ত্ৰীৰ পৰা সন্তোষজনক উত্তৰ বিচাৰে। মন্ত্ৰীসকলে তেওঁলোকৰ বিভাগীয় কাৰ্যসমূহৰ দাবী যুক্তি সহকাৰে সংসদৰ মজিয়াত উত্থাপন কৰিব লাগে।

**(গ) বিনিয়োজন বিল ঃ** বিনিয়োজন বিধেয়কৰ ওপৰত আলোচনা কৰিও সাংসদসকলে প্ৰশাসনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিব পাৰে।

**(৩) প্ৰশ্নোত্তৰ কাল (Question Hour) ঃ** সংসদৰ অধিৱেশন চলি থকা অৱস্থাত প্ৰতিদিনেই অধিৱেশনৰ আৰম্ভণিতে এঘণ্টা সময় প্ৰশ্নোত্তৰৰ বাবে ধাৰ্য কৰা হয়। এই প্ৰশ্নোত্তৰ কালৰ জৰিয়তে সংসদৰ ওপৰত ফলপ্ৰদভাৱে নিয়ন্ত্ৰণ কৰাৰ সুযোগ পায়। সাধাৰণতে প্ৰতিদিনেই গড়ে ৩০টা প্ৰশ্ন মৌখিকভাৱে সোধা আৰু উত্তৰ দিয়া হয়। প্ৰশ্নৰ সহায়ত সাংসদসকলে প্ৰশাসনৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে আৰু জনমত গঢ়ি তুলিব পাৰে। প্ৰতিটো প্ৰশ্নৰ উত্তৰৰ পিছতেই পৰিপূৰক প্ৰশ্ন সোধা হয়। এইদৰে বিভিন্ন দৃষ্টিভংগীৰে প্ৰশ্ন সুধি মন্ত্ৰীবৰ্গক ব্যতিব্যস্ত কৰি তোলা দেখা যায়। প্ৰতিটো প্ৰশাসনীয় কাৰ্যৰ ওপৰত সাংসদসকলে প্ৰশ্ন উত্থাপিত কৰিব পাৰিলেও মন্ত্ৰীক প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিবলৈ বাধ্য কৰিব নোৱাৰে। লোকসভাৰ অধ্যক্ষই কিছুমান প্ৰশ্ন নাকচ কৰিব পাৰে। বহু সময়ত তথ্য বিচাৰি, কোনো এটা বিষয়ৰ ওপৰত মন্ত্ৰীৰ মতামত জানিবৰ বাবে, অথবা চৰকাৰৰ দুৰ্বলতাৰ ওপৰত আলোকপাত কৰাৰ উদ্দেশ্য আগত ৰাখিও প্ৰশ্ন সোধা হয়। সংসদীয় প্ৰশ্নোত্তৰ ব্যৱস্থাই চৰকাৰৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে, ১৯৫৬ চনৰ জীৱন বীমা নিগমৰ সন্দৰ্ভত উঠা এটা প্ৰশ্নৰ উত্তৰ দিয়াৰ পিছত বিত্তমন্ত্ৰীৰ ইস্তফা দিয়াৰ পৰ্যায় পায়গৈ। প্ৰশ্নোত্তৰ ব্যৱস্থাই লোক প্ৰশাসকক অধিক সাৱধান আৰু ভয়াতুৰ কৰি ৰাখে। সংসদৰ প্ৰশ্নোত্তৰ কালক গণতন্ত্ৰৰ প্ৰকৃত অধ্যায় বুলিব পাৰি।

**(৪) আক্ৰমণ-বেলা (Zero Hour) ঃ** সংসদৰ 'আক্ৰমণ-বেলা' বা Zero Hour-ক ভাৰৰ এক নতুন প্ৰৱৰ্তন বুলি কোৱা হয়। ১৯৬২ চনৰ পৰা কাৰ্যপালিকাৰ নিয়ন্ত্ৰণৰ বাবে এই ব্যৱস্থাৰ উদ্ভৱ হয়। এইটো অৱশ্যে আনুষ্ঠানিকভাৱে প্ৰৱৰ্তন কৰা উপায় নহয়। প্ৰশ্নোত্তৰ কাল আৰু আলোচনা আৰম্ভ হোৱাৰ মাজৰ সময়ৰ ভিতৰতে সাংসদসকলে এই সুবিধাটো গ্ৰহণ কৰে। অধ্যক্ষৰ অনুমতি সাপেক্ষে কোনো এটা বিষয় অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিলে সাংসদে বিষয়টো সংসদৰ মজিয়াত উত্থাপন কৰিব পাৰে। সঞ্জীৱ ৰেড্ডী

Scanned by CamScanner

লোকসভাৰ অধ্যক্ষ হৈ থকা কালতে 'আক্ৰমণ-বেলা'ই প্ৰাধান্য লাভ কৰে। ১৯৭৭ চনৰ পিছৰ পৰা সংসদীয় পদ্ধতিৰ ৩৭৭ নং নিয়মৰ আধাৰত ৫ জন সাংসদলৈকে গুৰুত্বপূৰ্ণ বিষয়সমূহ উত্থাপন কৰাৰ সুবিধা অধ্যক্ষই দিয়া দেখা যায়। 'আক্ৰমণ-বেলা'ত সাধাৰণতে বন্ধ, আন্দোলন, দুৰ্ঘটনা, প্ৰাকৃতিক দুৰ্যোগ আদিয়ে স্থান পায়।

(৫) সভা স্থগিত প্ৰস্তাৱ (**Adjournment Motion**) ঃ সংসদৰ দ্বাৰা লোক প্ৰশাসন নিয়ন্ত্ৰণৰ সভা স্থগিত প্ৰস্তাৱক অন্যতম আহিলা বুলিব পাৰি। অতি জৰুৰী আৰু গুৰুত্বপূৰ্ণ বিষয়ৰ পৰিপ্ৰেক্ষিতত সভা স্থগিত ৰখাৰ প্ৰস্তাৱ সাংসদে উত্থাপন কৰে। যি কি নহওক— সভা স্থগিত প্ৰস্তাৱ আলোচনা হ'বনে নহয় সেই বিষয়ে অধ্যক্ষই সিদ্ধান্ত ল'ব পাৰে।

**(৬) অনাস্থা প্ৰস্তাৱ (No-Confidence Motion)** ঃ সংসদীয় গণতন্ত্ৰত মন্ত্ৰীসভা সংসদৰ অৰ্থাৎ লোকসভাৰ ওচৰত দায়বদ্ধ হয়। গতিকে মন্ত্ৰীসভাৰ বিৰুদ্ধে লোকসভাৰ মজিয়াত অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিব পাৰে। অনাস্থা প্ৰস্তাৱক নিন্দাসূচক প্ৰস্তাৱ (Censure Motion) বুলিও কোৱা হয়। প্ৰশাসনিক দক্ষতা ৰক্ষা কৰা, আভ্যন্তৰীণ শান্তি-শৃঙ্খলা ৰক্ষা বা চৰকাৰী নীতি কাৰ্যকৰী কৰিবলৈ ব্যৰ্থ হ'লে চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰাৰ ব্যৱস্থা আছে। এই ধৰণৰ প্ৰস্তাৱ সংসদত উত্থাপন কৰিবলৈ অধ্যক্ষৰ অনুমতিৰ প্ৰয়োজন। অনাস্থা প্ৰস্তাৱৰ সন্দৰ্ভত হোৱা আলোচনাই লোক প্ৰশাসন নিয়ন্ত্ৰণ কৰাৰ এটা সুবিধা দিয়ে। লোকসভাত অনাস্থা প্ৰস্তাৱ গৃহীত হ'লে মন্ত্ৰী সভাই পদত্যাগ কৰিব লাগে।

**(৭) আইন প্ৰণয়ন (Enactment of Law)** ঃ আইন প্ৰণয়ন কৰাই সংসদৰ প্ৰাথমিক কাম আৰু সংসদে প্ৰণয়ন কৰা আইনৰ আধাৰতহে প্ৰশাসনীয় কাৰ্য সম্পাদন হয়। কোনো আইন ৰচনা কৰা বা সংশোধন কৰা প্ৰক্ৰিয়াত সংসদত যথেষ্ট আলোচনা হয় আৰু ইয়াৰ দ্বাৰাও লোক প্ৰশাসনক দুৰ্নীতিৰ পৰা মুক্ত কৰিব পাৰি।

**(৮) সংসদীয় সমিতি (Parliamentary Committees)** ঃ চৰকাৰী হিচাপ সমিতি (Public Accounts Committee), প্ৰকল্প সমিতি (Estimates Committee), চৰকাৰী নিগম সমিতি (Committee on Public Undertakings) আদি সমিতিৰ জৰিয়তে সংসদে লোক প্ৰশাসনৰ বিষয়ে বিতংভাৱে জানিব পাৰে আৰু ইয়াৰ দ্বাৰা প্ৰশাসন নিয়ন্ত্ৰণ কৰা সম্ভৱপৰ হৈ পৰে।

**(৯) হিচাপ-পৰীক্ষা (Audit)** ঃ সংসদে হিচাপ-পৰীক্ষকৰ জৰিয়তে চৰকাৰী খৰচৰ ওপৰত নিয়ন্ত্ৰণ প্ৰতিষ্ঠা কৰি প্ৰশাসনিক দক্ষতা ৰক্ষা কৰাত সহায় কৰে। (সংসদীয় সমিতি আৰু হিচাপ-পৰীক্ষাৰ বিষয়ে ব্যয় নিয়ন্ত্ৰণ অধ্যায়ত বিশদভাৱে আলোচনা কৰা হৈছে।)

Scanned by CamScanner